**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 08-10-2026**
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***
***::::::::::::::::::::::::::::::::::::::***

০০০০

১।	জি এছ্ টি পৰিষদে কৰ বিষয়াসকলৰ গ্ৰেপ্তাৰ কৰাৰ অধিকাৰ প্ৰত্যাহাৰ কৰিছে।

২।	কৃত্ৰিম বুদ্ধিমত্তাৰ নিয়ন্ত্ৰণ সন্দৰ্ভত অহা মাহৰ ভিতৰত পৰামৰ্শ পত্ৰ জাৰি কৰা হ'ব বুলি ইলেক্‌ট্ৰনিকছ্ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে।

৩।	বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে ভাৰতে যোৱা বছৰ ৮৬ হাজাৰ ৩০০ কোটি ডলাৰ পৰিমাণৰ সামগ্ৰী ৰপ্তানি কৰা বুলি জানিবলৈ দিছে।

৪।	নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগণনা কাইলৈ অনুষ্ঠিত হ'ব।

***আৰু***

৫।	কানাডাৰ লেখক এছ্ কাৰ্ছনলৈ ২০২৬ বৰ্ষৰ সাহিত্যৰ ন'বেল বঁটা আগবঢ়োৱা হৈছে।

০০০০

সামগ্ৰী আৰু সেৱাকৰ জি এছ্ টি পৰিষদে কৰ বিষয়াসকলৰ গ্ৰেপ্তাৰ কৰাৰ অধিকাৰ প্ৰত্যাহাৰ কৰিছে আৰু আইনী প্ৰক্ৰিয়াৰ বাবে ন্যূনতম সীমা ১ কোটিৰ পৰা ৫ কোটি টকালৈ বৃদ্ধি কৰিছে। প্ৰতিটো গোচৰত জৰিমনা, কাৰাবাস বা দুয়ো ধৰণৰ শাস্তিৰ বিষয়টো ন্যায়ালয়ৰ বিবেচনাৰ ওপৰত এৰি দিয়া হৈছে। পলমকৈ কৰ দাখিল কৰা, কৰ দাখিলত ভুল কৰা বা পৰিশোধ কৰাত ব্যৰ্থ হোৱা কৰদাতাসকলে পুনৰুদ্ধাৰ, সুদ আৰু আনুপাতিক জৰিমনা ভৰিব লাগিব। জি এছ্ টি পৰিষদৰ বৈঠকৰ অন্তত আজি নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে কয়, যে পৰিষদে জি এছ্ টিৰ অধীনত গ্ৰেপ্তাৰৰ ক্ষমতা প্ৰত্যাহাৰৰ আৰু আইনী প্ৰক্ৰিয়াৰ বাবে ন্যূনতম সীমা বৃদ্ধিৰ পৰামৰ্শ আগবঢ়াইছে। তেওঁ কয়, যে জি এছ্ টি পৰিষদৰ বৈঠকত হাৰৰ ক্ষেত্ৰত কোনো সাল-সলনি কৰা হোৱা নাই আৰু হাৰ পৰিকাঠামো ইতিমধ্যে নিশ্চিত কৰা হৈছে। তেওঁ কয়, যে পৰিষদে জাননী আৰু ব্যৱস্থা গ্ৰহণৰ বাবে উমৈহতীয়া মান সম্পৰ্কে পৰামৰ্শ আগবঢ়াইছে। ১০ হাজাৰ টকাৰ নিৰ্ধাৰিত মৌদ্ৰিক সীমাৰ কম হ'লে জাননী জাৰি কৰা নহ'ব আৰু ১০ হাজাৰ কম টকাৰ বিচাৰাধীন জাননীসমূহো প্ৰত্যাহাৰ কৰা হ'ব।

০০০০

কৃত্ৰিম বুদ্ধিমত্তাৰ নিয়ন্ত্ৰণ সন্দৰ্ভত অহা মাহৰ ভিতৰত পৰামৰ্শ পত্ৰ জাৰি কৰা হ'ব বুলি ইলেক্‌ট্ৰনিকছ্ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে। কৃত্ৰিম বুদ্ধিমত্তাৰ সম্ভাৱনা সম্পৰ্কীয় বিশ্ব উন্নয়ন প্ৰতিবেদন-২০২৬ উন্মোচন কৰাৰ পাছত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীবৈষ্ণৱে কয়, যে প্ৰস্তাৱিত পৰামৰ্শ পত্ৰত কৃত্ৰিম বুদ্ধিমত্তা আৰু চাইবাৰ সুৰক্ষা, কৃত্ৰিম বুদ্ধিমত্তাৰ উপকাৰ আৰু সম্ভাব্য ক্ষতি সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা হ'ব। তেওঁ কয়, যে পৰামৰ্শ পত্ৰত সমাজৰ সকলো শ্ৰেণীৰ লোকলৈ কৃত্ৰিম বুদ্ধিমত্তাৰ সুফল লৈ যোৱা আৰু জনসাধাৰণক ডীপফেকৰ দৰে হানিকাৰক এপ্লিকেচনৰ

পৰা সুৰক্ষিত কৰাত গুৰুত্ব আৰোপ কৰা হ'ব। শ্ৰীবৈষ্ণৱে কয়, যে কৃষি, স্বাস্থ্য সেৱা আৰু শিক্ষাৰ দৰে খণ্ডত কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰৰ পৰা সমাজ উপকৃত হ'ব। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰযুক্তি গণতান্ত্ৰিকীকৰণৰ দৃষ্টিভংগী অনুযায়ী এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। অনুষ্ঠানত ভাষণ দি শ্ৰীবৈষ্ণৱে কয়, যে ষ্টাৰ্ট-আপ প্ৰতিষ্ঠান, শিক্ষাবিদ, গৱেষক আৰু শিক্ষাৰ্থীৰ বাবে কৃত্ৰিম বুদ্ধিমত্তা সুলভ কৰি তুলিবলৈ চৰকাৰ বদ্ধপৰিকৰ। তেওঁ কয়, যে কৃত্ৰিম বুদ্ধিমত্তাৰ বাস্তৱিক ব্যৱহাৰৰ জৰিয়তে উপকাৰ লাভ কৰা বছা বছা দেশৰ ভিতৰত ভাৰতৰ নাম অন্তৰ্ভুক্ত হৈছে। মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰযুক্তিৰ প্ৰকৃত ব্যৱহাৰৰ জৰিয়তে বাস্তৱিক উপকাৰ লাভ কৰিব পৰা যায় আৰু ইয়াৰ ফলত উৎপাদন বৃদ্ধি পায়, ব্যয় হ্ৰাস পায়, ৰাজহ বৃদ্ধি পায় আৰু জনসাধাৰণৰ জীৱনৰ মান উন্নত হয়। নতুন প্ৰযুক্তিয়ে ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ বাবে বৃহৎ সুযোগ কঢ়িয়াই আনিব বুলিও মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

-বাইট(বৈষ্ণৱ)-

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসেৱাৰ জৰিয়তে দেশ সেৱাৰ লক্ষ্যৰে ৰাজহুৱা সেৱাৰ ক্ষেত্ৰত ২৫ বছৰ সফলতাৰে সম্পূৰ্ণ কৰিছে আৰু সম্পূৰ্ণ দায়বদ্ধতাৰে এই সেৱা অব্যাহত ৰাখিছে। সেৱা আৰু সুশাসনৰ লক্ষ্যৰে চৰকাৰে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে নিৰন্তৰ কাম কৰি আছে। সৰ্বাত্মক বিকাশ আৰু সামাজিক সবলীকৰণৰ জৰিয়তে চৰকাৰৰ এই নিষ্ঠাপূৰ্ণ সেৱাই জনসাধাৰণৰ জীৱনত ৰূপান্তৰ সাধন কৰিবলৈ সমৰ্থ হৈছে। এই শৃংখলাত আজি নাৰী শক্তি বন্দনা অধিনিয়মৰ দৰে উদ্যমৰ জৰিয়তে এই দৃষ্টিভংগী বাস্তৱায়িত কৰাৰ বাবে চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টা সন্দৰ্ভত আলোকপাত কৰা হৈছে।

যুক্তৰাষ্ট্ৰীয় গাঁথনিৰ সকলো পৰ্য্যায়ত ৰাজহুৱা জীৱনত মহিলাৰ সম প্ৰতিনিধিত্ব সুদৃঢ় কৰাৰ ৰাষ্ট্ৰীয় যাত্ৰাৰ ঐতিহাসিক মাইলৰ খুঁটি হিচাপে সংসদে ২০২৩ চনত সংবিধানৰ ১০৬ সংখ্যক সংশোধনী আইন নাৰী শক্তি বন্দনা অধিনিয়ম গৃহীত কৰে। এই ঐতিহাসিক অধিনিয়মৰ জৰিয়তে লোকসভা আৰু বিধানসভাসমূহত মহিলাৰ বাবে ১ তৃতীয়াংশ আসন সংৰক্ষণৰ ব্যৱস্থা কৰিব বিচৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বাধীনতা দিৱসৰ ভাষণত এই সন্দৰ্ভত থকা দশক দশকজোৰা বিলম্বৰ অৱসান ঘটাবলৈ আৰু সংসদ তথা বিধানসভাসমূহত মহিলাৰ বাবে এক তৃতীয়াংশ আসন সংৰক্ষণৰ ব্যৱস্থা দ্ৰুতভাৱে ৰূপায়ণ কৰিবলৈ আহ্বান জনাইছিল।

০০০০

ভাৰতে যোৱা বছৰ ৮৬ হাজাৰ ৩০০ কোটি ডলাৰ পৰিমাণৰ সামগ্ৰী ৰপ্তানি কৰিছে আৰু এই বছৰ ১ লাখ কোটি ডলাৰ পৰিমাণৰ সামগ্ৰী ৰপ্তানি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে জানিবলৈ দিছে। নতুন দিল্লীত আজি ১২ আৰু ১৩ নৱেম্বৰত বিশাখাপট্টনমত হ'বলগীয়া ৩১ সংখ্যক চি আই আই সহযোগিতা শীৰ্ষ সন্মিলনৰ প্ৰাক্-অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এই বিষয়ে সদৰী কৰে। তেওঁ কয়, যে বিশেষকৈ গোলকীয় অৰ্থ-ব্যৱস্থা নিৰন্তৰ বাধাৰ সন্মুখীন হোৱা আৰু গোলকীয় বিকাশহাৰ ৩ শতাংশৰ তললৈ অৱনমিত হোৱাৰ আশংকাৰ মাজতে ভাৰতৰ পৰা ৰপ্তানি প্ৰায় ১৬ শতাংশ বৃদ্ধি পাইছে। তেওঁ কয়, যে ভাৰতীয় ৰিজাৰ্ভ বেংকে চলিত বৰ্ষৰ বাবে বিকাশ সম্পৰ্কীয় পূৰ্বানুমান পুনৰ বৃদ্ধি কৰিছে। ভাৰতে ৭ শতাংশ বিকাশ হাৰ আৰু বিশ্বৰ সবাতোকৈ দ্ৰুত বিকাশশীল বৃহৎ অৰ্থ-ব্যৱস্থাৰ মৰ্য্যাদা অক্ষুণ্ণ ৰাখিবলৈ সমৰ্থ হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতৰ অৰ্থ-

ব্যৱস্থাৰ পৰিধি সম্প্ৰতি ৪ লাখ কোটি ডলাৰৰ আৰু ২০৪৭ চনলৈ দেশৰ অৰ্থ-ব্যৱস্থা ৩০ লাখ কোটি ডলাৰলৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। তেওঁ কয়, যে চৰকাৰে ব্যৱসায়িক সুচলতা আৰু সুশাসন সন্দৰ্ভত নিৰন্তৰ কাম কৰি আছে। তেওঁ লগতে ১২ আৰু ১৩ নৱেম্বৰত হ'বলগীয়া শীৰ্ষ সন্মিলনখনক ভাৰতৰ বিকাশ গাঁথাক গোলকীয় পৰ্য্যায়লৈ লৈ যোৱাৰ সুযোগ বুলি অভিহিত কৰে। গুগলৰ প্ৰথমটো কৃত্ৰিম বুদ্ধিমত্তা কেন্দ্ৰ বিশাখাপট্টনমত স্থাপনৰ প্ৰক্ৰিয়া অব্যাহত আছে বুলি তেওঁ উল্লেখ কৰে।

০০০০

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ কাইলৈ ভোটগণনা কৰা হ'ব। ভোটগণনা প্ৰক্ৰিয়াৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেল আজি নগাঁৱত উপস্থিত হয়। শ্ৰীগোৱেলে জিলা আয়ুক্ত তথা ৰিটাৰ্ণিং বিষয়া আৰণ্যক শইকীয়াৰ সৈতে উপ-নিৰ্বাচনৰ বাবে নগাঁও চহৰত স্থাপন কৰা দুটা ষ্ট্ৰং ৰূমৰ লগতে ভোটগণনা কক্ষৰ ব্যৱস্থাপনা, নিৰাপত্তা ব্যৱস্থা আদি পৰ্যবেক্ষণ কৰে। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰা মতে কাইলৈ পুৱা ৮ বজাৰ পৰা নগাঁৱৰ দুটা স্থানত আৰু মৰিগাঁও জিলাৰ এটা স্থানত ভোটগণনা কৰা হ'ব। ইয়াৰ বাবে ইতিমধ্যে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে বুলি প্ৰকাশ কৰি তেওঁ কয় যে নিৰ্বাচন আয়োগৰ নীতি-নিৰ্দেশনা অনুসৰি প্ৰথমে পোষ্টেল বেলট গণনা কৰা হ'ব। প্ৰথমে চৰকাৰী চাকৰিয়ালৰ আৰু ইয়াৰ পাছত ৮৫ বছৰৰ উৰ্ধৰ ব্যক্তিসকলৰ পোষ্টেল বেলট গণনা কৰা হ'ব।

০০০০

কানাডাৰ লেখক এছ কাৰ্ছনলৈ ২০২৬ বৰ্ষৰ সাহিত্যৰ ন'বেল বঁটা আগবঢ়োৱা হৈছে। ধ্ৰুপদী পৰম্পৰাৰ সৈতে ধেমেলীয়া কথা-বতৰাৰে সম-সাময়িক সাহিত্যত নতুন ধাৰাৰ সূচনা কৰাৰ বাবে সাহিত্যিকগৰাকীক এই সন্মানৰ বাবে বাছনি কৰা হৈছে। এই বঁটাত আছে - প্ৰায় ১২ লাখ ডলাৰ।

০০০০

ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে যোৱা ৩ অক্টোবৰত যন্তৰ মন্তৰত প্ৰতিবাদ সাব্যস্ত কৰাৰ সময়ত ৩ গৰাকী মহিলা সাংবাদিকক দিল্লী আৰক্ষীয়ে যৌন আতিশয্য চলোৱা বুলি ওলোৱা বাতৰি সন্দৰ্ভত নিজাববীয়াকৈ গোচৰ ৰুজু কৰিছে। আয়োগে দিল্লী আৰক্ষী আয়ুক্তলৈ জাননী জাৰি কৰিছে আৰু দুসপ্তাহৰ ভিতৰত এই সন্দৰ্ভত বিতং প্ৰতিবেদন বিচাৰিছে। জাননীখনত উল্লেখ কৰা হৈছে যে, যদিহে সংবাদ মাধ্যমৰ বাতৰি সত্য বুলি প্ৰমাণিত হয়, তেন্তে এয়া নিশ্চিতভাৱে মানৱ অধিকাৰৰ গুৰুতৰ উলংঘন। আয়োগে কৈছে যে, সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, নতুন দিল্লীত জিলা আৰক্ষীয়ে তথাকথিত ঘটনা সন্দৰ্ভত অভিযোগ লাভ কৰিছিল। পাছত বিষয়টো অনুসন্ধানৰ বাবে দিল্লী আৰক্ষীৰ ক্ৰাইম ব্ৰাঞ্চলৈ হস্তান্তৰ কৰা হয়।

০০০০

গুজৰাটৰ বন আৰু পৰিৱেশ মন্ত্ৰী অৰ্জুন মোধৱাডিয়াই কৈছে , যে ভাৰতৰ আচবাব নিৰ্মাণ খণ্ডৰ উৎপাদন দক্ষতা, দক্ষ কৰ্ম-বাহিনী আৰু আন্তঃগাঁথনি উন্নয়নৰ জৰিয়তে গোলকীয় আচবাব নিৰ্মাণ খণ্ডত গুৰুত্বপূৰ্ণ স্থান দখল কৰাৰ যথেষ্ট সম্ভাৱনা আছে। নতুন দিল্লীত বিকশিত ভাৰত আচবাব সন্মিলন-২০২৬ক সম্বোধন কৰি তেওঁ কয়, যে আচবাবে সম্পূৰ্ণ সংহত মূল্যবোধক প্ৰতিনিধিত্ব কৰে। তেওঁ লগতে কয়, যে উৎপাদন, আৰ্হি, প্ৰযুক্তি, অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ, দক্ষতা বিকাশ, আন্তঃৰাষ্ট্ৰীয় ৰপ্তানি আদিয়ে একত্ৰিতভাৱে অৰ্থনৈতিক ইঞ্জিনক সংযোগ কৰে। সন্মিলনত নীতি ৰূপায়ণকাৰী, ঔদ্যোগিক নেতা, ৰাজ্য চৰকাৰ, আন্তঃৰাষ্ট্ৰীয় আচবাব সংস্থাই অংশগ্ৰহণ কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ